# প্ৰভুৰ ভোজ

## প্ৰভুৰ মেজত প্ৰভুৰ উপস্থিতি - বিশ্বাসীসকলৰ অভিজ্ঞতা

ল'ৰা-ছোৱালীক শিক্ষা দিয়া সকলে অধ্যয়ন L3b পঢ়া উচিত।

**প্ৰাৰ্থনাঃ** "প্ৰভু যীচু, আপোনাৰ সোঁৱৰণৰ অৰ্থে আমি একেলগে পান-পাত্ৰ আৰু পিঠা গ্ৰহণ কৰোঁতে, মোৰ লগত থকা বিলাকক আৰু মোক আপোনাৰ ক্ষমা দিয়া, অনুগ্ৰহ আৰু জীৱন দান দিয়া আত্মাৰ অভিজ্ঞতা পাবলৈ দিয়ক।"

১। **আপোনাৰ জাকক প্ৰভুৰ ভোজলৈ চলাই নিওঁতে আপোনাৰ মন আৰু আত্মাক প্ৰভুৰ বাক্যৰে প্ৰস্তুত কৰক।**

বিশ শতিকা ধৰি, প্ৰভুৰ মেজ, যাক প্ৰভুৰ ভোজ বুলিও কোৱা হয়, ই খ্ৰীষ্টিয়ান উপাসনাৰ মধ্যস্থ।

**আগৰ কথা**



- পান পাত্ৰ আৰু পিঠা, খ্ৰীষ্টৰ শাৰীৰিক শৰীৰ আৰু তেজ প্ৰকৃত ৰূপে হোৱা বুলি কিছুমান মণ্ডলীয়ে কৈ ভুল কৰিছে।
- আন কিছুমান মণ্ডলীয়ে এই পান পাত্ৰ আৰু পিঠাই কেৱল আমাক সোঁৱৰায় আৰু আমাৰ বাবে একোকে নকৰে বুলি কৈ ভুল কৰিছে।
- তলত দিয়া বাইবেলৰ অংশবোৰ পঢ়োঁতে, ঈশ্বৰৰ বাক্যই কি কৈছে চাওক।



**যাত্ৰাপুস্তক ১২:২১-২৮** পদত চাওক...

- মিচৰৰ কোন লোকবিলাকক "নিস্তাৰ পৰ্ব্বৰ" বলি প্ৰস্তুত কৰিবলৈ আজ্ঞা দিয়া হৈছিল।
- বলিৰ তেজেৰে তেওঁলোকে কি কৰিছিল?
- নিস্তাৰ পৰ্ব্বৰ বলিদান দিয়া সকলৰ নিমিত্তে প্ৰভুৱে কি কৰিছিল।

**যাত্ৰাপুস্তক ১৬:২-৫** পদত চাওক...

- মোচিৰ লগত সুদীৰ্ঘ যাত্ৰাত যাওঁতে ইস্ৰায়েলবিলাকে কিহৰ বাবে চিন্তিত হৈছিল।
- লোকবিলাকৰ প্ৰয়োজনীয়তাৰ বাবে ঈশ্বৰে কি যোগাইছিল।
- ঈশ্বৰে তেওঁলোকক বিনামূলীয়াকৈ দিয়া পিঠাৰ নাম কি দিছিল- যাত্ৰাপুস্তক ১৬:৩০-৩১ পদত চাওঁক...

**মাৰ্ক ৮:১-৯** পদত চাওঁক...

- তেওঁৰ শিক্ষা শুনাবিলাকৰ বিষয়ে যীচুৱে কেনে অনুভৱ কৰিছিল।
- লোকবিলাকে যীচুৰ বাক্য শুনা ঠাইখন কেনে ধৰণৰ আছিল *(৪ পদ চাওঁক)*
- লোকবিলাকৰ প্ৰয়োজনীয়তা পূৰ কৰিবলৈ যীচুৱে কি যোগাইছিল।

**যোহন ৬:২৫-৩৬** পদত চাওঁক...

- ঈশ্বৰে তেওঁবিলাকক অদ্ভুত মান্না দিয়াত যীচু কেনেকৈ মোচিৰ দৰে ইস্ৰায়েল বিলাকৰ চলাওঁতা আছিল।
- মোচিতকৈ যীচু কেনেকৈ মহান আছিল।

**যোহন ৬:৪৮-৫১** পদত চাওক...

- তেওঁত বিশ্বাস কৰা সকলক কি দিবলৈ যীচুৱে প্ৰতিজ্ঞা কৰিছিল।

**যোহন ৬:৫২-৬৪** পদত চাওঁক...

- তেওঁৰ শৰীৰ আৰু তেজ "খোৱা" আৰু "পান" কৰা সকলক কি দিবলৈ যীচুৱে প্ৰতিজ্ঞা কৰিছিল।
- তেওঁক "খোৱা" আৰু "পান" কৰা সকলক কি অধিক দিবলৈ যীচুৱে প্ৰতিজতা কৰিছিল।
- লোকবিলাকে কেনেকৈ খ্ৰীষ্টক "খাব" আৰু "পান" কৰিব। *(৬৩-৬৪ পদ চাওঁক)*

**মথি ২৬:২৬-২৯** পদত চাওঁক...

- যীচু আৰু তেওঁৰ অনুসৰণকাৰী সকলে যিহুদী বিলাকৰ নিস্তাৰ পৰ্ব্বৰ আহাৰ খাওঁতে কি ঘটিল।
- নিস্তাৰ পৰ্ব্বৰ পিঠাক যীচুৱে কি বুলি কৈছিল।
- নিস্তাৰ পৰ্ব্বৰ পাত্ৰক যীচুৱে কি বুলি কৈছিল।
- তেওঁৰ অনুসৰনকাৰী বিলাকক কি কৰিবলৈ আজ্ঞা দিছিল।

**১ কৰিন্থীয়া ১০:১৬-২২** পদত চাওঁক...

- প্ৰভু ভোজৰ পান পাত্ৰৰ পৰা পান কৰিলে বিশ্বাসীবিলাকৰ কি হয়। *(১৬ পদ)*
- প্ৰভু ভোজৰ পিঠা খালে বিশ্বাসী বিলাকৰ কি হয়।
- দেৱতাৰ উৎসৰ্গৰ পৰা বিশ্বাসীসকলে খালে কি বিপদ হয়।

**১ কৰিন্থীয়া ১১:২৫-৩৪** পদত চাওঁক...

- প্ৰভু ভোজ গ্ৰহন কৰাত কেনেকৈ এক গুৰুত্বপূৰ্ণ বাৰ্ত্তা কোৱা হয়। *(২৬ পদ)*
- প্ৰভু ভোজ গ্ৰহণ কৰাৰ আগেয়ে বিশ্বাসীসকলে কি কৰা উচিত। *(২৭-২৮ পদ)*
- আন বিশ্বাসীসকলক আমাৰ প্ৰেম নেদেখুৱাকৈ প্ৰভুৰ ভোজ গ্ৰহণ কৰিলে আমালৈ কি বিপদ ৰৈ আছে।

২। **সহ-কৰ্ম্মী সকলৰ লগত আগত অহা সপ্তাহটোৰ কাৰণে প্ৰস্তুতি কৰক।**

নিয়মীয়া উপাসনালৈ আহিব নোৱাৰা ৰোগী আৰু দুৰ্ব্বল লোকবিলাকক প্ৰভু ভোজ দিয়াৰ বাবে ডিকন সকলৰ লগত ব্যৱস্থা কৰক।

যদি কোনো বিশ্বাসীয়ে প্ৰভু ভোজৰ মূল্যক সন্মান নকৰে, তেওঁলোকৰ খ্ৰীষ্টৰ ৰহস্যময় শৰীৰ আৰু তেজক প্ৰভু ভোজ গ্ৰহণ কৰোতে সন্মান প্ৰদৰ্শন কৰাৰ প্ৰয়োজনীয়তা আলোচনা কৰক।

যীচু আৰু পৌলৈ কৰাৰ দৰে প্ৰভু ভোজ বিতৰণ কৰা সকলক গুৰুত্ব দিয়া বিষয়ে আলোচনা সহ-কৰ্ম্মী সকলৰ লগত আলোচনা কৰক।

প্ৰভুৰ ভোজত খ্ৰীষ্টৰ উপস্থিতি বিশ্বাসীসকলে অনুভৱ কৰাত সহায় হোৱা বিষয়ে সহ-কৰ্ম্মী সকলৰ লগত আলোচনা কৰক।

ব্যাখা নকৰাকৈ প্ৰভুৰ ভোজ বিতৰণ কৰিবলৈ মণ্ডলীৰ সকলো লোকক আৰু পৰিয়ালৰ মূৰব্বী সকলক প্ৰশিক্ষণ দিয়াৰ আঁচনি কৰক (বিশ্বাসী সকলৰ অন্তৰত পবিত্ৰ আত্মাই কাম কৰোঁতে পিঠা আৰু পান পাত্ৰই নিজৰ বিষয়ে কওঁক)।

৩। **আগত হ'ব লগীয়া উপাসনা সময়ৰ বিষয়ে আপোনাৰ সহ-কৰ্ম্মীসকলৰ লগত আঁচনি কৰক।**

তেওঁবিলাকে প্ৰস্তুত কৰা নাটক, পদ্য আৰু প্ৰশ্নবোৰ ল'ৰা-ছোৱালীবিলাকক দেখুৱাবলৈ দিয়ক।

**১ম অংশত** কি পালে সেই বিষয়ে **কওক** অথবা নাটক কৰক। আপুনি পোৱা **প্ৰশ্নবোৰ** কৰক।

- যিহুদীবিলাকৰ নিস্তাৰ পৰ্ব্ব, যাত্ৰাপুস্তক ১২:২১-২৮।
- স্বৰ্গৰ পৰা পিঠা, যাত্ৰাপুস্তক ১৬:২-৫ আৰু ৩০-৩১।
- যীচুৱে ৪,০০০ লোকক খুউৱা, মাৰ্ক ৮:১-৯।
- যীচুৱে লোকবিলাকক তেওঁৰ মাংস খাবলৈ কোৱা আৰু তেওঁ বিশ্বাসী সকলক কি প্ৰতিজ্ঞা কৰিছিল, যোহন ৬:২৫-৩৬ আৰু ৪৮-৬৪।
- যীচুৱে প্ৰভুৰ ভোজ স্থাপন কৰা, মথি ২৬:২৬-২৯।

- প্ৰভুৰ ভোজত প্ৰকৃততে কি খোৱা আৰু পান কৰা হয়, ১ কৰিন্থীয়া ১০:১৬-২২।
- প্ৰভুৰ ভোজ গ্ৰহণ কৰাৰ আগেয়ে আমি কিয় পাপ স্বীকাৰ কৰোঁ, ১ কৰিন্থীয়া ১১:২৫-৩৪।

**যদি কোনো বিশ্বাসীজনে ভালকৈ গীত গায়,** আৰু যীচুৰ ক্ৰুচৰ বিষয়ে যদি এটি ভাল গীত আছে, তেনেহলে সেইবোৰ আনবিলাকক শিকাবলৈ দিয়ক। যদিহে ডাঙৰকৈ গীত গোৱাত অসুবিধা তেনেহলে, সৰু মাতেৰে গাওঁক।



**প্ৰভুৰ ভোজৰ** বিষয়ে কবলৈ হ'লে আদিপুস্তক ৪:৪-১৪ পঢ়ক অথবা আদমৰ পুত্ৰ, হেবেলে, ঈশ্বৰৰ বাবে উৎসৰ্গ কৰা এক নিৰ্দ্দোষ বলিদানৰ বিষয়ে কওঁক। যীচু কেনেকৈ নিৰ্দ্দোষ আৰু তেওঁৰ বলিদানে কেনেকৈ আমাক ঈশ্বৰলৈ আনিলে সেই কথা বৰ্ণনা কৰক। পিঠা আৰু পান পাত্ৰ হাতত লোৱা আগেয়ে, নিজ নিজ পাপ ঈশ্বৰৰ আগত স্বীকাৰ কৰাৰ সময় বিশ্বাসীসকলক দিয়ক।

**১ম যোহন ১:৭-৯** একেলগে **মুখস্থ কৰক**।

Copyright 2004 © by Paul-Timothy. May be freely copied. Download from www.Paul-Timothy.net